পতাকা উত্তোলনৰ ভাষণ

# পতাকা-অভিবাদন

অসম সাহিত্য সভা

এক পঞ্চাশত্তম অধিবেশন

শ্ৰীশ্ৰীমাধৱদেৱ ক্ষেত্ৰ ঃ বিহপুৰীয়া

ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

# পতাকা উত্তোলনৰ ভাষণ

## অসম সাহিত্য সভা ঃ এক পঞ্চাশত্তম অধিবেশন

## পতাকা-অভিবাদন

যিমানে পতাকাত থকা প্ৰতীকবোৰৰ ভাব আৰু অনুভূতিসমূহ আপোন কৰি হৃদয়ত ল'ব পাৰে, তেওঁ পতাকাৰ অবিহনেও সেই ভাব আৰু অনুভূতিসমূহৰ প্ৰেৰণাৰে নিজৰ জীৱন পৰিচালিত কৰিব পাৰে। যি কোনো সমাজত এনে লোকৰ সংখ্যা কম। বাস্তৱ ক্ষেত্ৰত দেখা যায়, জাতি, অনুষ্ঠান, সংঘ, ৰাষ্ট্ৰ সম্প্ৰদায়বোৰে সমূহীয়া জীৱন পৰিচালিত কৰিবৰ বাবে একোখন পতাকা গঢ়ি লয়।

অসম সাহিত্য সভায়ো নিজৰ আৰু জাতিৰ জীৱন পৰিচালিত কৰিবৰ বাবে এখন পতাকা গঢ়ি লৈছে। অতীতত ভাৰতবৰ্ষত পতাকাক ধ্বজ, বা কেতু শব্দৰেও চিনাকি দিয়া হৈছিল। চিহ্নাঙ্কিত কাপোৰকেই (সাধাৰণতে পাটৰ কাপোৰেই ব্যৱহৃত হয়) পতাকা বোলা হয়। এই পতাকা একোটা থিয় আৰু পোন খুটাত বা তেনে কোনো অৱলম্বনৰ ওপৰত উৰুওৱা হয়। সাহিত্য সভাৰ পতাকাখনৰ আকাৰ আয়ত ক্ষেত্ৰাকাৰ আৰু নিৰ্দিষ্ট জোখৰ (২ × ৩)। ইয়াৰ চাৰিও দাঁতিত সেউজীয়া শেল দিয়া আছে, আৰু এই সেউজীয়া শেশে আমাৰ সাংস্কৃতিক জীৱনৰ বহল, জীৱন্ত, নিত্য নতুন আৰু গতিশীল ৰূপৰ ক্ষেত্ৰ নিৰ্দ্ধাৰিত কৰি আমাৰ মন তাৰ ওপৰত সন্নিবিষ্ট কৰে। ই সমূহীয়া জীৱনৰ খেলি-মেলি আঁতৰাই সুন্দৰ সমন্বয়ৰ সৃষ্টি কৰি প্ৰাণত মধুৰ ঝঙ্কাৰ তোলে।

এই সমন্বয়ৰ ক্ষেত্ৰত সৌমাজতে ওপৰ আৰু তল ৰেখাক প্ৰায় চুই যোৱা, সুসমন্বিত ভাৱে গ্ৰথিত, শিল্পীৰদ্বাৰা অঙ্কিত চিহ্নসমূহ এক সুঠাম আৰু সংপৃক্ত ৰূপত আমাৰ আগত প্ৰকাশিত হৈছে। সমূহীয়াভাৱে ইহঁতে আমাক আমাৰ পৰম্পৰা, সৃষ্টি, ৰস, জীৱন, সংসাৰ আৰু মানুহৰ তাৎপৰ্য্যৰ আভাস দি চিত্তক সৰ্বোত্তম সাংস্কৃতিক সাধনাৰ সেন্দুৰীয়া আলিয়েদি আগবাঢ়িবলৈ প্ৰেৰণা দিয়ে। জানি-বুজি প্ৰেৰণা লভিলে আমি সৃষ্টিৰ পথ দেখা পাম, নুবুজি অন্ধভাৱে গ্ৰহণ কৰিলে ই আমাক ধ্বংসৰ পথলৈ লৈ যাব পাৰে। গতিকে এই পতাকাখন আমি বুজিবৰ হ'ল।

সমূহীয়া প্ৰতীকৰ একেবাৰে তলৰ পাদপীঠৰ বগা ঠাই টুকুৰাত ৰঙা আখৰত অঙ্কিত হৈছে 'অসম সাহিত্য সভা'ৰ নামটো। এই নামৰ যোগেদি ইয়াৰ সংবিধান, পৰম্পৰা, কৰ্মসমূহ আৰু উত্তম সেৱকসকলৰ লেখনিয়েদি প্ৰকাশিত হোৱা উত্তম

বাণীসমূহৰ সকলো শুভ প্ৰেৰণা প্ৰকাশিত হৈছে। পতাকাখনে অতীততো আমাৰ মনত কৰ্মোদ্যম সৃষ্টি কৰিছে, আৰু ভৱিষ্যতলৈ কৰিব।

এই নাম প্ৰৱেশদ্বাৰ আৰু মণিকুটো। মণিকুটৰ ওপৰত থকা বেদীৰ পটভূমিত অৰ্দ্ধ প্ৰকাশিত এটি যাউতিযুগীয়া আঁহত পাতে ছায়াময় আৱৰণৰ মাজত নিজৰ মহিমা নিজে সদাৰি কৰিছে। আঁৰত থাকি এই আঁহত পাতটিৰ আভাস-চিত্ৰই লুকাভাকু খেলি সন্মুখৰ ঠগাখনক (শৰাই), পুথিখনক 'চিৰ চেনেহী ভাষা জননী'ৰ অৰ্দ্ধ চন্দ্ৰাকাৰ দুবাহুৰ কোমল আকোৱালৰ মাজত প্ৰজ্বলিত আঁৰু অসীম কালৰ আৰু অনন্ত ব্ৰহ্মাণ্ডৰ প্ৰতীকস্বৰূপ তৰাটিত ভৰি দি সৰ্বব্যাপক ওখ আকাশলৈ মুখ কৰি ধ্যানমগ্ন হৈ থকা তেজোময় অক্ষয় প্ৰদীপগছিক সংবৰ্দ্ধিত অৰ্থ আৰু বহুযুগীয়া ভাৰতীয় সাংস্কৃতিক সাধনাৰ গতি-শক্তি দান কৰিছে। মুঠতে এই সমূহীয়া প্ৰতীক চিহ্নবোৰে অলপৰ যোগেদি সমস্তকে দান কৰি আমাক এক সাংস্কৃতিক বিশ্ববীক্ষাৰ পথ প্ৰদৰ্শাইছে।

এই পতাকাৰ শিল্পী যুগল দাসে ছাঁয়াচ্ছন্ন আঁহত পাতটিৰে পটভূমি ৰচনা কৰি অসম সাহিত্য সভাৰ নাম, ধাম, কাম আৰু চিন্তাক আমাৰ সৰ্বভাৰতীয় সংস্কৃতিৰ মহৎ পৰম্পৰা আৰু অসমীয়া লোক-সংস্কৃতিত মজ্জাগত হৈ পৰা তাৰ সুনিৰ্মল প্ৰভাৱৰ লগত সন্নিবিষ্ট কৰি সেইবোৰক এটা যুগোপযোগী বহল তাৎপৰ্য্য প্ৰদান কৰিছে। মহেঞ্জোদাৰোৰ মোহৰবোৰত পোৱা ধৰ্মবিশ্বাস সম্বলিত এই আঁহত পাতটি পিছৰ যুগত সাহিত্য, লোক-সংস্কৃতি, ভাস্কৰ্য্য আৰু চিত্ৰত সততে পোৱা অশ্বত্থ গছ বা পিপ্পল গছৰ ৰূপ ধাৰণ কৰিছে। ঋকবেদ আৰু অথৰ্ব বেদত পোৱা যায়, অশ্বত্থ গছৰ তলত কেনেকৈ শিশ্বগিন আৰু দেৱতাসকলে আহি আশ্ৰয় লৈছিলহি। দিগম্বৰ জৈনসকলৰ বিশ্বাস, দশম তীৰ্থঙ্কৰ শীতল নাথৰ প্ৰতীক আছিল অশ্বত্থ গছ ; চতুৰ্দশ তীৰ্থঙ্কৰ অনন্ত নাথেও হেনো অশ্বত্থৰ তলতে তীৰ্থঙ্কৰত্ব লাভ কৰিছিল। গীতাৰ দশম অধ্যায়ত শ্ৰীকৃষ্ণই নিজকে "অশ্বত্থঃ সৰ্ববৃক্ষাণাম্" বুলি নিজৰ চিনাকি দিছে। পঞ্চদশ অধ্যায়ত আঁহত গছৰ পাতক বেদ বুলি অভিহিত কৰিছে। তেওঁৰ মতে সুদৃঢ়মূল এই সংসাৰ ৰূপী গছক বৈৰাগ্য ৰূপ অস্ত্ৰেৰে ছেদ কৰি পৰম পদ বিচাৰিলেহে মোক্ষ লাভ হয়। অসমীয়া লোক-বিশ্বাসমতেও আঁহত পবিত্ৰ। অকল এয়ে নহয়। এই অশ্বত্থ গছৰ তলতে গৌতম-বুদ্ধই বুদ্ধত্ব লাভ কৰিছিল। এই কথাই আমাৰ শিল্পীক বিশেষভাৱে অনুপ্ৰেৰণা যোগাইছিল। মহান উপমা আৰু মহান সাধনাৰ অৱলম্বন স্বৰূপ এই বৃক্ষ যুগ যুগ ধৰি ধাৰাবাহিক ৰূপে প্ৰৱাহিত ভাৰতীয় সাংস্কৃতিক সাধনাৰ এটা সাৰ্থক প্ৰতীক। সেয়েহে এই প্ৰতীকটি শিল্পীয়ে সাহিত্য সভাৰ পতাকাৰ অন্যান্য সংপৃক্ত চিহ্নসমূহৰ পটভূমিত ঠাই দিছে। ই আমাক সততে সোঁৱৰাই দিয়ে যে অসমীয়া সাংস্কৃতিক সাধনা ভাৰতীয় সাংস্কৃতিক সাধনাৰপৰা অবিচ্ছিন্ন। এই কথা অতীততো সত্য আছিল, বৰ্তমান কালতো সত্য আৰু ভৱিষ্যতেও সত্য হ'ব।

বেদীৰ ওপৰত যিখন ঠগা বা শৰাই আছে, সেইখন আমাৰ সুপৰিচিত আৰু আপোন যে তাক আমি আমাৰ অসমীয়া সংস্কৃতিৰ ঐতিহাসিক আৰু ব্যৱহাৰিক প্ৰতীক ৰূপে গ্ৰহণ কৰি লৈছোঁ। শৰাইখন আমি শ্ৰদ্ধা প্ৰদৰ্শনতো ব্যৱহাৰ কৰোঁ আৰু তাক অসমীয়া কলাৰ অনুপম নিদৰ্শন বুলিও ভাবোঁ। এই শৰাইখনৰ ওপৰত যিখন পুথি আছে, সেই পুথিখন আমাৰ চেতন আৰু অবচেতন মনত সদায় জিলিকি থাকে। আমাৰ মানত থাপনাৰ পুথি পৰম বস্তু। পতাকাৰ এই পুথিখন সেই আহিতে থোৱা হ'লেও ইয়াত পুথিৰ অৰ্থ সম্পূৰ্ণৰূপে আধুনিক। এই পুথিতে থূপাই থোৱা আছে সমগ্ৰ মনাৱীয় জ্ঞান, বিদ্যা, সাহিত্য-কলাৰ ৰস, আৰু আমাৰ বাঞ্ছিত প্ৰমূল্যসমূহৰ অমৃতময় ভাণ্ডাৰ। এই অমৃতময় ভাণ্ডাৰত হাত নভৰালে আমাৰ সমস্ত মন তমসাবৃত হৈ পৰিব আৰু আমি অটল অন্ধকাৰত বুৰ গৈ অস্তিত্বৰহিত হৈ পৰিম। শৰাইখনৰ মাজেদি আমি পুথিৰ প্ৰতি শ্ৰদ্ধা, সাহিত্যৰ লগত কলাৰ নিবিড় আৰু সৃষ্টিশীল সম্পৰ্ক ৰক্ষাৰ সংকল্প আৰু কলাসমূহৰ উন্নতি সাধনৰ পৰিবেশ ৰচনাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰিছোঁ। শুভ্ৰ ৰঙে জ্ঞান আৰু ৰসৰ সুকুমাৰ, নিৰ্মল, শান্তিময়, আনন্দময় আৰু সুন্দৰ ৰূপ প্ৰকাশ কৰিছে। এনে জ্ঞান আৰু ৰস সাধনাৰ যি ওখ, দুৰ্গম আৰু কঠোৰ পথ, সেই পথ অন্তহীন। সেই অন্তহীন পথ অতিক্ৰম কৰিবৰ বাবে ধৈৰ্য্যবল যোগাইছে আকাশমণ্ডলৰ ধ্ৰুৱতৰাটিয়ে আৰু সেই মণ্ডলৰ দিক্‌পাল ৰূপে থকা বাৰটি আখৰে। শেষোক্ত বাৰটি আখৰ লগ লগালে পৃথিৱীৰ সকলো জীৱন্ত ভাৱাই চিৰচেনেহী জননীৰ ৰূপ লয়। এই জননী আমাৰ আগত প্ৰতিভাত হৈ হৃদয়ৰ তপত তেজেৰে অনিৰ্বাণ প্ৰেমৰ অক্ষয়-প্ৰদীপ জ্বলাই আমাক দুৰ্গম বাটেদি ক্ৰমাৎ ওখৰপৰা ওখলৈ নি আকাশত তুলি দি মনে বিচৰা সৰগখনৰ পোন বাট দেখুৱায়। এই অক্ষয় আকাশ-প্ৰদীপেই আপদে-বিপদে আমাৰ শেষ আশ্ৰয়। পৃথিৱীৰ চৌদিশে সময়ত বিচাৰি নোপোৱা জ্ঞান আৰু ৰসৰ শেষ সত্য আমি যেন অন্তৰ আকাশৰ প্ৰদীপৰ পোহৰত হঠাতে দেখা পাওঁ। অজ্ঞেয়ক জ্ঞেয়, অগম্যক গম্য, অচিন্ত্যক চিন্ত্য আৰু অধৰাক ধৰাব এই বাসনাৰ মাজতেই মানৱাত্মাৰ অন্তিম তৃপ্তি। সেই সাধনাৰ ঠাই মানৱীয় জ্ঞান আৰু ৰসৰ সীমান্তত অৱস্থিত।

পতাকাখনৰ এইবিলাক ভাৱ মূলতঃ সাংস্কৃতিক হ'লেও ভৌতিক জীৱনৰপৰা সিহঁত বিচ্ছিন্ন নহয়। সেইবাবে জীৱন-সংগ্ৰামত সন্মুখীন হোৱা অসমতা, অন্যায়, শোষণ, নিষ্ঠুৰতা, দাসত্ব, দ্বেষ আদি সামাজিক আৰু মানবীয় সমস্যাবোৰৰ সাহসেৰে সন্মুখীন হ'বলৈও এই প্ৰতীকবোৰৰপৰা আমি বল পাব লাগিব। ন্যায়, সমতা, সমবিতৰণ, প্ৰেম, মুক্তি আৰু কৰুণা আদি গুণবোৰৰ ভেটিত প্ৰত্যেকেই নতুন মানুহ হ'বলৈ চেষ্টা কৰাৰ সাধনাও সাংস্কৃতিক সাধনা ; এনে সাধনা জ্ঞান-ভিত্তিক কৰ্মৰ যোগেদিহে কৰা সম্ভৱপৰ। নতুন মানুহ গঢ়িবলৈ অকল ব্যক্তিগত চৰিত্ৰ বলেই যথেষ্ট নহয়, উক্ত প্ৰমূল্যবোৰৰ ভেটিত এখন আদৰ্শ সমাজৰ সকলো ব্যক্তিকে নতুন

বেদীৰ ওপৰত যিখন ঠগা বা শৰাই আছে, সেইখন আমাৰ সুপৰিচিত আৰু আপোন যে তাক আমি আমাৰ অসমীয়া সংস্কৃতিৰ ঐতিহাসিক আৰু ব্যৱহাৰিক প্ৰতীক ৰূপে গ্ৰহণ কৰি লৈছোঁ। শৰাইখন আমি শ্ৰদ্ধা প্ৰদৰ্শনতো ব্যৱহাৰ কৰোঁ আৰু তাক অসমীয়া কলাৰ অনুপম নিদৰ্শন বুলিও ভাবোঁ। এই শৰাইখনৰ ওপৰত যিখন পুথি আছে, সেই পুথিখন আমাৰ চেতন আৰু অবচেতন মনত সদায় জিলিকি থাকে। আমাৰ মানত থাপনাৰ পুথি পৰম বস্তু। পতাকাৰ এই পুথিখন সেই আৰ্হিতে থোৱা হ'লেও ইয়াত পুথিৰ অৰ্থ সম্পূৰ্ণৰূপে আধুনিক। এই পুথিতে থূপাই থোৱা আছে সমগ্ৰ মনাৱীয় জ্ঞান, বিদ্যা, সাহিত্য-কলাৰ ৰস, আৰু আমাৰ বাঞ্ছিত প্ৰমূল্যসমূহৰ অমৃতময় ভাণ্ডাৰ। এই অমৃতময় ভাণ্ডাৰত হাত নভৰালে আমাৰ সমস্ত মন তমসাবৃত হৈ পৰিব আৰু আমি অটল অন্ধকাৰত বুৰ গৈ অস্তিত্বৰহিত হৈ পৰিম। শৰাইখনৰ মাজেদি আমি পুথিৰ প্ৰতি শ্ৰদ্ধা, সাহিত্যৰ লগত কলাৰ নিবিড় আৰু সৃষ্টিশীল সম্পৰ্ক ৰক্ষাৰ সংকল্প আৰু কলাসমূহৰ উন্নতি সাধনৰ পৰিবেশ ৰচনাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰিছোঁ। শুভ্ৰ ৰঙে জ্ঞান আৰু ৰসৰ সুকুমাৰ, নিৰ্মল, শান্তিময়, আনন্দময় আৰু সুন্দৰ ৰূপ প্ৰকাশ কৰিছে। এনে জ্ঞান আৰু ৰস সাধনাৰ যি ওখ, দুৰ্গম আৰু কঠোৰ পথ, সেই পথ অন্তহীন। সেই অন্তহীন পথ অতিক্ৰম কৰিবৰ বাবে ধৈৰ্য্যবল যোগাইছে আকাশমণ্ডলৰ ধ্ৰুৱতৰাটিয়ে আৰু সেই মণ্ডলৰ দিক্‌পাল ৰূপে থকা বাৰটি আখৰে। শেষোক্ত বাৰটি আখৰ লগ লগালে পৃথিবীৰ সকলো জীৱন্ত ভাবাই চিৰচেনেহী জননীৰ ৰূপ লয়। এই জননী আমাৰ আগত প্ৰতিভাত হৈ হৃদয়ৰ তপত তেজেৰে অনিৰ্বাণ প্ৰেমৰ অক্ষয়-প্ৰদীপ জ্বলাই আমাক দুৰ্গম বাটেদি ক্ৰমাৎ ওখৰপৰা ওখলৈ নি আকাশত তুলি দি মনে বিচৰা সৰগখনৰ পোন বাট দেখুৱায়। এই অক্ষয় আকাশ-প্ৰদীপেই আপদে-বিপদে আমাৰ শেষ আশ্ৰয়। পৃথিবীৰ চৌদিশে সময়ত বিচাৰি নোপোৱা জ্ঞান আৰু ৰসৰ শেষ সত্য আমি যেন অন্তৰ আকাশৰ প্ৰদীপৰ পোহৰত হঠাতে দেখা পাওঁ। অজ্ঞেয়ক জ্ঞেয়, অগম্যক গম্য, অচিন্ত্যক চিন্ত্য আৰু অধৰাক ধৰাব এই বাসনাৰ মাজতেই মানৱাত্মাৰ অন্তিম তৃপ্তি। সেই সাধনাৰ ঠাই মানৱীয় জ্ঞান আৰু ৰসৰ সীমান্তত অৱস্থিত।

পতাকাখনৰ এইবিলাক ভাৱ মূলতঃ সাংস্কৃতিক হ'লেও ভৌতিক জীৱনৰপৰা সিহঁত বিচ্ছিন্ন নহয়। সেইবাবে জীৱন-সংগ্ৰামত সন্মুখীন হোৱা অসমতা, অন্যায়, শোষণ, নিষ্ঠুৰতা, দাসত্ব, দ্বেষ আদি সামাজিক আৰু মানবীয় সমস্যাবোৰৰ সাহসেৰে সন্মুখীন হ'বলৈও এই প্ৰতীকবোৰৰপৰা আমি বল পাব লাগিব। ন্যায়, সমতা, সমবিতৰণ, প্ৰেম, মুক্তি আৰু করুণা আদি গুণবোৰৰ ভেটিত প্ৰত্যেকেই নতুন মানুহ হ'বলৈ চেষ্টা কৰাৰ সাধনাও সাংস্কৃতিক সাধনা; এনে সাধনা জ্ঞান-ভিত্তিক কৰ্মৰ যোগেদিহে কৰা সম্ভৱপৰ। নতুন মানুহ গঢ়িবলৈ অকল ব্যক্তিগত চৰিত্ৰ বলেই যথেষ্ট নহয়, উক্ত প্ৰমূল্যবোৰৰ ভেটিত এখন আদৰ্শ সমাজৰ সকলো ব্যক্তিকে নতুন

মানুহ হ'বলৈ প্ৰেৰণা যোগোৱাকৈ পৰিবেশ ৰচনা কৰাও সাংস্কৃতিক সাধনাৰ অৱশ্যম্ভাবী চৰ্ত। এই চৰিত্ৰ বল আৰ্জন আৰু পৰিবেশ ৰচনাৰ কাম একেলগে কৰিবলৈ হ'লে আমাক বৰ্ত্তমানৰ বিবিধ আদৰ্শগত সংঘৰ্ষ আৰু বিবিধ কৰ্মসূচীৰ বিভিন্নতাৰ সন্মুখীন হোৱাৰ জোখাৰে মানসিক, চৰিত্ৰগত আৰু সংঘগত শক্তিৰ প্ৰয়োজন হ'ব। অসম সাহিত্য সভাই ইয়াৰ সদস্যবৃন্দ, শাখা সভাসমূহ আৰু অনুগামী ৰাইজৰ মাজত এই শক্তি জাগ্ৰত হোৱা বিচাৰে, আদৰ্শগত সংঘৰ্ষ আৰু কৰ্মসূচীৰ বিভিন্নতা-বোৰ আঁতৰাই সাংস্কৃতিক ক্ষেত্ৰত দেশ-কালসন্মত যুগোপযোগী আদৰ্শ আৰু গঠনমূলক কাৰ্য্যসূচী গ্ৰহণ কৰিবৰ বাবে অসম সাহিত্য সভাই কিছু কাম হাতত লৈছে। অসমৰ ভাষা-সাহিত্য সংস্কৃতিৰ প্ৰকৃত পৰিবেশ ৰচনাৰ বাবে ই অসমীয়া জাতিৰ বিভিন্ন সামাজিক গোটৰ মাজত সামাজিক আৰু সাংস্কৃতিক সমন্বয় সাধন, ভাষা সমস্যা সমাধান, সাহিত্যৰ উন্নতি সাধন, বিভিন্ন সাহিত্যাদৰ্শৰ মৌলিক বিচাৰ কৰি সিবিলাকৰ শুভ উপাদানবোৰ লৈ এক সমন্বয়মূলক আদৰ্শ ৰচনা, সাহিত্য আৰু কলাৰ মাজত সংযোগ স্থাপন, সাহিত্য আৰু বিজ্ঞানৰ সৈতে সংলাপৰ ব্যৱস্থা আদি কিছুমান কাম কৰাত মনোনিবেশ কৰিছে। ইয়াৰ বাহিৰেও বহল কিছুমান সমস্যাও আছে যিবোৰ স্বৰূপাৰ্থত সামগ্ৰিক বিশ্ববীক্ষা আৰু বহল সামাজিক কৰ্ম-সূচী ৰচনাৰ সমস্যা। সেইবোৰ সমস্যা হ'ল: সত্যৰ লগত সুন্দৰৰ, প্ৰযুক্তিবিদ্যাৰ লগত মানৱমঙ্গলৰ, উদ্যোগীকৰণৰ লগত প্ৰাকৃতিক পৰিবেশৰ, ব্যক্তিৰ লগত সমাজৰ, জাতিৰ লগত বিশ্বজাতিৰ, মানুহৰ লগত বিশ্বপ্ৰকৃতিৰ, সভ্যতাৰ লগত সংস্কৃতিৰ আৰু দৈনন্দিন কালৰ মূল্যবোধৰ লগত মহাকালৰ মূল্যবোধৰ সমন্বয় সাধনৰ সমস্যা। এই বহু আয়তনিক আদৰ্শগত আৰু পৰিবেশগত সমস্যাবোৰ মানুহৰ বাবে এক কঠোৰ ৰণাহ্বান স্বৰূপ। এইবোৰ সমস্যাৰপৰা অসম সাহিত্য সভা আঁতৰি থাকিব নোৱাৰে, কাৰণ আঁতৰি থকা মানে আত্মহত্যা কৰাহে হ'ব। পতাকাখনে আমাক এইবোৰ কাম কৰিবলৈও কয় বা ইঙ্গিত দিয়ে।

অসম সাহিত্য সভাই পৰম্পৰাৰপৰা প্ৰেৰণা লওক, বৰ্তমানত ভৰি থৈ কামত নামক, সংস্কৃতিৰ দায়িত্ব গ্ৰহণ কৰি মানুহ, জাতি আৰু বিশ্বৰ ভৱিষ্যত গঢ়াতো ভাগ লওক, এয়ে যেন পতাকাখনৰ অব্যক্ত অতিৰিক্ত বাণী। ক্ষুদ্ৰত্ব বিসৰ্জন দিয়ক, বিৰাটৰ সাধনা কৰক। আমিয়েই আমাৰ বন্ধু, আমিয়েই আমাৰ শক্তি। আমি আমাৰ বন্ধু হ'লেহে অসমীয়া জাতিয়ে বিদেশী সমস্যাকে আদি কৰি সকলো সমুখৰ সমস্যা সমাধান কৰিব পাৰিব, আৰু গোটেই বিশ্বখনকে বন্ধু কৰি পৃথিৱী আৰু আকাশক একেখন মজিয়াতে মিলাব পাৰিব। পতাকাখনৰ ই হৈছে অদৃশ্য ইঙ্গিত। সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশন সফল হওক, ৰাইজ সংস্কৃতি-সাহিত্যৰ সৃষ্টিকৰ্তা হওক, পতাকাখনলৈ সকলোৱে মূৰ দোঁৱাই অন্তৰৰ শৰাইত পুথিখন থৈ অক্ষয় প্ৰদীপগছি আলাসত জ্বলাই লওক।

—বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য